# ৯.০০ বাক্যতত্ত্ব (Syntax)


মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ কথা কয়। কথা কওঁতে বাগিন্দ্ৰিয়ৰদ্বাৰা কিছুমান ধ্বনি উচ্চাৰণ কৰে, এই উচ্চাৰিত ধ্বনি সমষ্টিৰ সহায়ত শব্দ সৃষ্টি কৰে। শব্দবোৰ বিশেষ ৰূপত আৰু বিশেষ ক্ৰমত লানি লাগি উচ্চাৰিত হয়। শব্দবোৰক ইটোৰ লগত সিটোৰ একোটা সম্বন্ধেৰে বান্ধ খুৱাই একোটা বাক্য সজা হয়। এনেদৰে গঠন কৰা বাক্যৰ জৰিয়তে বক্তাই শ্ৰোতাৰ আগত মনৰ ভাব ব্যক্ত কৰে বা একোটা চিন্তা প্ৰকাশ কৰে। বাক্যই হৈছে এটা ভাষাৰ চানেকি (Sentence is a design of a language)। শব্দ সুন্দৰ হ'লেও যিকোনো স্থানত সংস্থাপন কৰিলে বাক্য শুদ্ধ নহয়; এটা বাক্য শুদ্ধৰূপত প্ৰকাশ কৰিবলৈ শব্দসমূহক উপযুক্ত স্থানত স্থাপন কৰিব লাগিব। বাক্য সৃষ্টিতহে ভাষাৰ মৰ্যাদা বৃদ্ধি পায়। বাক্যই হ'ল ভাষাৰ শেষ পৰ্যায়।

'বাক্যতত্ত্ব'ৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Syntax'। 'Syntax' গ্ৰীক ভাষাৰ শব্দ। 'Syn' মানে 'together'; taxis মানে 'an arranging'। থোৰতে ইয়াক 'প্ৰণালীবদ্ধ গাঁথনি' (Systematic arrangement or putting together) বুলি ক'ব পাৰি। পৃথিৱীৰ প্ৰত্যেক ভাষাৰ ৰূপগঠন আৰু বাক্যগঠন প্ৰণালী সুকীয়া সুকীয়া। বিশেষ এটা ভাষাৰ বাক্যত অন্তৰ্নিহিত হৈ থকা বিভিন্ন উপাদানসমূহ অৰ্থাৎ ব্যাকৰণৰ দিশসমূহ ৰূপতত্ত্বৰ সহায়ত আলোচনা কৰা হয়। চমুকৈ ক'বলৈ গ'লে, ৰূপতত্ত্বৰ সহায়ত শব্দগঠন আৰু পদগঠনৰ আভ্যন্তৰীণ বা ভিতৰুৱা প্ৰক্ৰিয়াৰ আলোচনা আগবঢ়োৱা হয়, কিন্তু বাক্যতত্ত্বত বিভক্তি, প্ৰত্যয়ৰ সংযোগত সৃষ্টি হোৱা বিভিন্ন শব্দ আৰু পদৰ মাজত থকা বাহ্যিক সম্বন্ধ আলোচনা কৰা হয়।[১] মুঠতে বাক্যতত্ত্বত কোনো এটা ভাষাৰ শব্দৰ সজ্জা, বাক্যৰ বিভিন্ন গাঁথনি, বাক্যৰ প্ৰকাৰ, বাক্যৰ ৰূপান্তৰ, বাক্যৰ অন্তৰ্নিহিত সুৰ, বাক্যাংশ, বাক্যৰ নিকটস্থ অংগ বিচাৰ (Immediate Constituent Analysis) আদি বিভিন্ন দিশবোৰ সামৰা হয়।

## ৯.০১ বাক্যৰ উপাদান (Componant of Sentence) ঃ

বাক্যৰ গঠনকে প্ৰকাৰান্তৰে ভাষাৰ গঠন (Structure of language) বুলি ক'ব পাৰি।[২] বাক্য ৰচনা কৰা হয় পদ সমষ্টিৰে আৰু এই পদ সমষ্টিয়েই হৈছে বাক্য স্তৰৰ নিম্নতম গোট। ধ্বনিতাত্ত্বিক স্তৰত — ধ্বনি, বৰ্ণ, উপধ্বনি আৰু অক্ষৰ এই

বিষয়সমূহ আলোচনা কৰা হয়, ৰূপতাত্ত্বিক স্তৰত — আকৃতি, প্ৰাকৃতি, উপাকৃতি আদিৰ সূক্ষ্ম বিচাৰ কৰাৰ উপৰি প্ৰাকৃতিৰপৰা সৃষ্ট শব্দ আৰু পদ সম্পৰ্কেও আলোচনা কৰা হয়। বাক্যতাত্ত্বিক স্তৰত — বাক্যৰ স্তৰৰ নিম্নতম গোট অৰ্থাৎ শব্দসমূহৰ সুসংগঠনত বাক্য সৃষ্টি সম্পৰ্কে আলোচনা কৰা হয়। অৰ্থতত্ত্বৰ স্তৰত — শব্দৰ অৰ্থ বিশ্লেষণ আৰু সম্পূৰ্ণ ভাব প্ৰকাশক একোটা বাক্যৰ অৰ্থ বিচাৰ কৰা হয়। উল্লিখিত সকলো উপাদানেৰে বাক্য এটা গঠিত হয় আৰু প্ৰত্যেক উপাদানৰে একোটা সহ সম্বন্ধ আছে। তলত ৰেখাচিত্ৰৰ সহায়ত ধ্বনি, ৰূপ, বাক্য আৰু অৰ্থৰ সহসম্বন্ধ দেখুওৱা হৈছে।




একাধিক পদৰ সুসংগঠনত বাক্য সৃষ্টি হয় যদিও বাক্যগঠনত আৰু কিছুমান উপাদানে ক্ৰিয়া কৰে। পদ গঠনৰ উপৰি বাক্য গঠনত সুৰ লহৰ (Intonation) এবিধ অপৰিহাৰ্য অংগ। সুৰ লহৰৰ সহায়ত এটা নিশ্চয়বাচক বাক্য প্ৰশ্নসূচক বাক্যলৈ ৰূপান্তৰ কৰিব পাৰি।

(ক) তুমি ভাত খালা। (নিশ্চয়বাচক)

(খ) তুমি ভাত খালা? (প্ৰশ্নসূচক)

ইয়াৰ পিছৰ বাক্যটোত 'ভাত' শব্দটো উচ্চাৰণ কৰোঁতে সুৰ-লহৰ অকস্মাতে অৰ্ধগামী হৈছে আৰু 'খালা' বুলি কওঁতে সুৰ নিম্নগামী হৈ এটা দীৰ্ঘ বিৰামৰ সূচনা কৰিছে। মাতৃভাষীয়ে অন্তৰানুভূতিৰ সহায়ত বাক্য দুয়োটাৰে অৰ্থ সুকীয়া সুকীয়াকৈ বুজি লয়।

## ৯.০২ বাক্যগঠন প্ৰক্ৰিয়া (Syntactic Process) ঃ

(ক) শব্দ আৰু পদৰ সংযোগত বাক্য সজা হয়। বাক্য এটা শুদ্ধৰূপত সজাবলৈ হ'লে শব্দ আৰু পদসমূহক য'তে ত'তে বহুৱাই দিলেই নহ'ব, অৰ্থযুক্ত শব্দ আৰু পদসমষ্টিক যথাস্থানত বহুৱালেহে এটা বাক্যই সম্পূৰ্ণ ভাব বা অৰ্থ প্ৰকাশ কৰিব পাৰে। বাক্যত ব্যৱহাৰ হোৱা প্ৰত্যেকটো পদৰ পাৰস্পৰিক সংগতি

থাকে আৰু সেই অনুসৰি পদবোৰৰ ৰূপ হয়। বাক্যত সাধাৰণতে তলত দিয়া পদবোৰ পোৱা যায়।[৩]

(ক) কাৰকবাচক পদ

(খ) ক্ৰিয়াপদ

(গ) বিশেষণ পদ

(ঘ) অব্যয় পদ

বাক্য এটাত ক্ৰিয়াপদ অতি আৱশ্যক। ক্ৰিয়াপদৰ কৰ্তা এটাও থাকে, কৰ্তা আৰু ক্ৰিয়াপদৰ যোগতহে বাক্য এটা সাৰ্থক হয়। কৰ্তা, কৰ্ম, কৰণ সম্প্ৰদান/নিমিত্ত, অপাদান আৰু অধিকৰণ এই কাৰকবাচক পদসমূহে সদায় ক্ৰিয়াপদৰ লগত সম্পৰ্ক স্থাপন কৰে। সেইকাৰণে ইহঁতৰ প্ৰত্যেককে বাক্যত স্থান দিয়া হয় আৰু ইহঁতে একোটাইঁত কাৰ্য সম্পাদন কৰে। উদাহৰণস্বৰূপে, তলৰ বাক্যটি দাঙি ধৰা হ'ল —

মানুহজনে তলাটো ছাবিৰে খুলিলে।

উক্ত বাক্যটোত 'মানুহজনে' কৰ্তাপদ আৰু 'খুলিলে' ক্ৰিয়াপদ। ইয়াত কৰ্তাপদ আৰু ক্ৰিয়াপদৰ সম্পৰ্ক অতি ঘনিষ্ঠ। তদুপৰি, কৰ্তাপদৰ বাহিৰে বাকী পদসমূহে ক্ৰিয়াৰ লগতহে পোনপটীয়া সম্পৰ্ক স্থাপন কৰিছে। তলত বাক্যটো বিশ্লেষণ কৰি দেখুওৱা হ'ল —

| কৰ্তা | কৰ্ম | কৰণ | ক্ৰিয়া |
|---|---|---|---|
| মানুহজনে | তলাটো | ছাবিৰে | খুলিলে |

শব্দবোৰৰ ৰূপমূলক পৰিৱৰ্তন বাক্যবিন্যাসৰ তাগিদা অনুসৰি হয়। উদাহৰণ-স্বৰূপে, "গৰুৱে ঘাঁহ খায়" আৰু "গৰুবোৰে পথাৰত চৰি আছে" — এই বাক্য দুটাত 'গৰু' শব্দটো বাক্যৰ প্ৰয়োজন অনুসৰি কৰ্তাকাৰক হিচাপে নিৰ্ণয় কৰিবলৈ গৰু + এ = গৰুৱে কৰা হৈছে; ঠিক তেনেদৰে গৰু + বোৰ + এ = গৰুবোৰে ৰূপটো বহুবচন বুজোৱাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছে আৰু এই ৰূপবোৰক বাক্যই দাবী কৰিছে। বাক্য গঠনত পদবোৰৰ ইটো-সিটোৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ শব্দবোৰৰ লগত প্ৰত্যয়, বিভক্তি যোগ কৰা হয়।

অব্যয় পদসমূহে বাক্যত ব্যৱহৃত পদসমূহৰ লগত সম্পৰ্ক স্থাপন নকৰে। দুটা বাক্যৰ সংযোগ কৰিবলৈ আৰু বিভিন্ন ভাব প্ৰকাশ কৰিবলৈ অব্যয় পদসমূহ বাক্যত সংযোগ কৰা হয়। যেনে —

**সংযোজক অব্যয় —**

ৰাম আৰু হৰি ঘৰলৈ গ'ল।

তুমি কিন্তু আহিবা দেই।

যদু নাইবা ৰাম আহিব।

**আশ্চৰ্য ভাবপ্ৰকাশ বাক্য —**

ছিঃ ছিঃ লেতেৰাবোৰ কিয় চুইছা।

দেহি ঐ, ল'ৰাটোলৈ বৰ দুখ লাগে।

(খ) ভাবপ্ৰকাশক বাক্যৰ সদায় দুটা অৱস্থানগত বিভাগ থাকে। যেনে —

(১) উদ্দেশ্য (Subject), (২) বিধেয় (Predicate)। বাক্যৰ এফালে কৰ্তাপদ থাকে, আনফালে ক্ৰিয়াপদ থাকে। ক্ৰিয়া যিয়ে কৰে, সেয়ে কৰ্তা আৰু কৰ্তাৰ অনুগামী পদবোৰৰ সৈতে কৰ্তাক 'উদ্দেশ্য' বোলা হয়।

আনহাতে ক্ৰিয়াপদ আৰু ক্ৰিয়াপদৰ অনুগামী সকলো পদক 'বিধেয়' বোলা হয়। তলৰ উদাহৰণটো চোৱা যাওক —

বুঢ়া মানুহজনে পকা আমটো চুহি চুহি খালে।

ওপৰৰ বাক্যটোত 'মানুজনে' কৰ্তা আৰু 'খালে' ক্ৰিয়া। 'মানুহজনে' কৰ্তাপদৰ 'বুঢ়া' সম্প্ৰসাৰক পদ আৰু এই পদটো কৰ্তাৰ বিশেষণৰূপে ব্যৱহাৰ হৈছে। আনহাতে 'পকা আমটো চুহি চুহি' আদি পদবোৰ 'খালে' ক্ৰিয়া পদৰ সম্প্ৰসাৰক পদ। ইয়াত 'পকা আমটো' কৰ্মপদ আৰু 'চুহি চুহি' এই পদটো ক্ৰিয়া-বিশেষণৰূপে ব্যৱহাৰ হৈছে। সাধাৰণতে সম্প্ৰসাৰক পদবোৰ যি যি পদৰ সম্প্ৰসাৰক সেই পদৰ আগত বহে। এই বাক্যটো উদ্দেশ্য আৰু বিধেয় এই দুটা ভাগত তলত দিয়াৰ দৰে ভগাব পাৰি —

| উদ্দেশ্য | | বিধেয় | |
|---|---|---|---|
| বুঢ়া মানুহজনে | | পকা আমটো চুহি চুহি খালে | |
| সম্প্ৰসাৰক | কৰ্তা | সম্প্ৰসাৰক | ক্ৰিয়া |
| বুঢ়া | মানুহজনে | পকা আমটো চুহি চুহি | খালে |

(গ) বাক্য এটা শুদ্ধ ৰূপত সজাই তুলিবলৈ হ'লে, অৰ্থযুক্ত শব্দ আৰু পদবোৰক যথাস্থানত বহুৱাব লাগিব। অৰ্থযুক্ত পদসমূহক সুবিন্যস্ত ক্ৰমত লগলগাই বহুৱালেহে বাক্য এটাই সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব পাৰে। সাধাৰণতে ভাষাত বাক্য ৰচনা কৰোঁতে প্ৰথমতে দুটা কথালৈ লক্ষ্য কৰা হয়। সেই দুটা হৈছে —

(ক) বাক্যত ব্যৱহৃত শব্দৰ ক্ৰম (Sequence of words)

(খ) শব্দবোৰৰ মাজত পাৰস্পৰিক সম্পৰ্ক (Agreement of words)।